ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# অন্তঃকালীন কৰ সংগ্ৰহ অধিনিয়ম, ১৯৩১

(১৯৩১ ৰ ১৬ নং অধিনিয়ম)

[১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Provisional Collection of Taxes Act, 1931

(Act No. 16 of 1931)

[As on the 1st April, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

## পাতনি

১ এপ্রিল, ১৯৯০ তাৰিখে যথা বিদ্যমান অন্তঃকালীন কৰ সংগ্ৰহ অধিনিয়ম, ১৯৩১ (১৯৩১ৰ ১৬ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ৰ পৃষ্ঠা ২৬ৰ পৰা ২৭ত প্ৰকাশিত হৈছিল ।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হ'ব ।

## PREFACE

This edition of the Provisional Collection of Taxes Act, 1931 (16 of 1931) as on the 1st April, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 1 dated 7th September, 1990 on pages 26 to 27.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi
Date 24-10-90

V. S. RAMA DEVI,
Secretary to the Govt. of India.

# অন্তঃকালীন কৰ সংগ্ৰহ অধিনিয়ম, ১৯৩১

## ধাৰাসমূহৰ ক্ৰম


ধাৰাসমূহ—

১। সংক্ষিপ্ত নাম।

২। পৰিভাষা।

৩। এই অধিনিয়ম মতে ঘোষণা কৰাৰ ক্ষমতা।

৪। এই অধিনিয়ম মতে কৰা ঘোষণাৰ প্ৰভাৱ আৰু অৱস্থিতি।

৫। ঘোষণা বলবৎ হোৱাৰ পৰা বিৰত হলে দিয়া নিৰ্দিষ্ট ফিৰত্।

৬। নিৰসন।

# অন্তঃকালীন কৰ সংগ্ৰহ অধিনিয়ম, ১৯৩১

(১৯৩১ ৰ ১৬ নং)[১]

**(১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান)**

[২৮ চেপ্তেম্বৰ, ১৯৩১]

সীমা শুল্ক বা আবকাৰী কৰ আৰোপকৰণ বা বৃদ্ধি কৰণ সম্পৰ্কীয় বিধেয়কৰ উপবন্ধক সীমিতকালৰ বাবে অবিলম্বে প্ৰভাবিত কৰাৰ ব্যৱস্থা কৰা বিধি সংশোধন কৰাৰ অৰ্থে এখনি অধিনিয়ম।

যিহেতু সীমা শুল্ক বা আবকাৰী কৰ আৰোপকৰণ বা বৃদ্ধিকৰণ সম্পৰ্কে বিধেয়কৰ উপবন্ধক অবিলম্বে প্ৰভাবিত কৰাৰ ব্যৱস্থা কৰা বিধি সংশোধন কৰাটো সমীচীন; ইয়াৰ দ্বাৰা নিম্নলিখিত ভাৱে অধিনিয়মিত কৰা হ'ল:—

**সংক্ষিপ্ত নাম।** ১। এই অধিনিয়মখনক অন্তঃকালীন কৰ সংগ্ৰহ অধিনিয়ম, ১৯৩১ বোলা হব।

**পৰিভাষা।** ২। এই অধিনিয়মত এটা ঘোষিত 'উপবন্ধই' কোনো বিধেয়কৰ এনে এক উপবন্ধক বুজাব যাৰ সম্পৰ্কত ৩ ধাৰাৰ অধীনত এক ঘোষণা কৰা হৈছে।

**এই অধিনিয়ম মতে ঘোষণা কৰাৰ ক্ষমতা।** ৩। যেতিয়া সীমা শুল্ক বা আবকাৰী কৰ আৰোপকৰণ বা বৃদ্ধি-কৰণৰ বাবে চৰকাৰৰ হকে এখন বিধেয়ক (সংসদত)[২] উত্থাপন কৰিব লগা হয়, কেন্দ্ৰীয় চৰকাৰে সেই বিধেয়কত জন-স্বাৰ্থৰ হেতু সমীচীন বুলি এটা ঘোষণা ভুক্ত কৰাৰ ব্যৱস্থা কৰিব পাৰে যে এই আৰোপ কৰণ বা বৃদ্ধি কৰণ সম্পৰ্কে বিধেয়কত থকা কোনো উপবন্ধ এই অধিনিয়মৰ অধীনত অবিলম্বে কাৰ্যকৰী হ'ব।

---

১। বেৰাৰ বিধি অধিনিয়ম, ১৯৪১ (১৯৪১ৰ ৪নং) ৰ দ্বাৰা এই অধিনিয়ম, বেৰাৰলৈ, ১৯৬২ ৰ বিনিয়ম নং ১২ ৰ ৩ ধাৰা অনুসূচী মতে গোৱা, দমন ডিউ (ৰূপভেদ সহ) লৈ, ১৯৬৩ ৰ ৬নং বিনিয়মৰ ২ ধাৰা *আৰু ১ অনুসূচীৰ মতে দাদ্ৰা আৰু নগৰ হাবেলি (১-৭-১৯৬৫ ৰ পৰা)* লৈ আৰু ১৯৬৫ ৰ ৪ নং বিনিয়ম ৩ ধাৰা অনুসূচী মতে লাক্ষা দ্বীপ, মিনিকয়, আমীন দ্বীপপুঞ্জ আৰু আন্দামান দ্বীপপুঞ্জ লৈ (১-১০-১৯৬৭ ৰ পৰা) বিস্তৃত হৈছে।

২। বিধি অনুকুলন আদেশ, ১৯৫০, ৰ দ্বাৰা কেন্দ্ৰীয় বিধান মণ্ডলৰ ঠাইত প্ৰতিষ্ঠাপিত কৰা হৈছে।

এই অধিনিয়ম মতে কৰা ঘোষণাৰ প্ৰভাৱ আৰু অৱস্থিতি ।

৪। (১) এটা ঘোষিত উপবন্ধ ইয়াক ভুক্ত কৰা বিধেয়ক খন উত্থাপন কৰাৰ দিনটো পাৰ হোৱাৰ লগে লগে বিধিৰ দৰে বলবান হ'ব।

(২) এই অধিনিয়মৰ উপবন্ধ মতে এটা ঘোষিত উপবন্ধ বিধিৰ দৰে বলবান হোৱাৰ পৰা ক্ষান্ত হ'ব—

(ক) যেতিয়াই সংশোধনী সহ বা সংশোধনী নোহোৱাকৈয়ে অধিনিয়মৰ দৰে প্ৰৱৰ্তিত হয়, বা

(খ) যেতিয়া কেন্দ্ৰীয় চৰকাৰে XX[1][সংসদৰ][2] দ্বাৰা গৃহীত প্ৰস্তাৱ অনুসৰি চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ জৰিয়তে নিৰ্দেশ দিয়ে যে ই বিধিৰ দৰে বল লাভ কৰাৰ পৰা ক্ষান্ত হ'ব, বা

(গ) যদি ইতিমধ্যে ই খণ্ড (ক) বা খণ্ড (খ) মতে বিধিৰ দৰে বলবান হোৱাৰ পৰা ক্ষান্ত হোৱা নাই তেন্তে বিধেয়ক উত্থাপন কৰাৰ [3](পয়সত্তৰতম দিন) পাৰ হোৱাৰ পৰাই হ'ব।

ঘোষণা বলবত হোৱাৰ পৰা বিৰত হলে দিয়া নিৰ্দিষ্ট ফিৰস্থ ।

৫। (১) যেতিয়া এটা ঘোষিত উপবন্ধ ইয়াক ভুক্ত কৰা বিধেয়কখন উত্থাপন কৰা দিনটোৰ পিচত [3][পয়সত্তৰতম দিন] পাৰ হোৱাৰ পূৰ্বে সংশোধিত অধিনিয়মৰ দৰে প্ৰৱৰ্তিত হয় তেতিয়া সংগৃহীত তেনে সকলো কৰ ফিৰত দিয়া হ'ব, যিবোৰ অধিনিয়মত ভুক্ত কৰা উপবন্ধ 'ঘোষিত উপবন্ধ' হোৱা হলে সংগ্ৰহ কৰা নহ'লহেঁতেন ঃ

পৰন্তু, এই উপধাৰা মতে ফিৰত দিয়া কোনো কৰৰ নিৰিখে ঘোষিত উপবন্ধ প্ৰস্তাৱিত কৰৰ নিৰিখ আৰু বিধেয়ক উত্থাপন কৰা সময়ত বলবত থকা এই কৰৰ নিৰিখৰ মাজৰ পাৰ্থক্যক অতিক্ৰম কৰিব নোৱাৰিব।

(২) ৪ ধাৰাৰ উপধাৰা (২)ৰ (খ) বা (গ) দফামতে যেতিয়া এটা ঘোষিত উপবন্ধ বিধিৰ দৰে বলবান হোৱাৰ পৰা ক্ষান্ত হয় তেতিয়া এনে সংগৃহীত সকলো কৰ ফিৰত দিয়া হ'ব যিবোৰ এই মৰ্মে ঘোষণা নকৰিলে সংগ্ৰহ কৰা নহ'লহেঁতেন ।

৬। নিৰসন-[নিৰসন অধিনিয়ম, ১৯৩৮ (১৯৩৮ৰ ১)[1] ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা নিৰসিত ।]

---

১। 'দুয়োটা সদন' শব্দ কেইটা কেন্দ্ৰীয় অধিনিয়ম আৰু অধ্যাদেশ অনুকূলন আদেশ, ১৯৪৮ৰ দ্বাৰা বাদ দিয়া হৈছে।

২। বিধি অনুকলন আদেশ, ১৯৫০ৰ দ্বাৰা 'কেন্দ্ৰীয় বিধান মণ্ডলৰ' ঠাইত প্ৰতিস্থাপিত কৰা হৈছে ।

৩। অন্তঃকালীন কৰ সংগ্ৰহ (সংশোধনী) অধিনিয়ম, ১৯৬৪ৰ (১৯৬৪ ৪৫ নং)ৰ২ ধাৰাৰ দ্বাৰা 'ষষ্ঠিতম দিন'ৰ (১-২-১৯৬৫ৰ) ঠাইত প্ৰতিস্থাপিত কৰা হৈছে ।

—X—